এই বঁটাৰ প্ৰতিটো বিভাগৰ বিজয়ীজনক ১.২ নিযুত মাৰ্কিন ডলাৰ (প্ৰায় ৪.৮ কোটি টকা), এখন প্ৰশস্তি পত্ৰ আৰু এটা সোণৰ পদক দিয়া হয়। প্ৰতি বছৰে ১০ ডিচেম্বৰৰ দিনা (আলফ্ৰেড নোবেলৰ মৃত্যু দিন) ছুইডেনৰ ৰাজধানী ষ্টকহ'মত এই বঁটা প্ৰদান কৰা হয়।

## মেগছেছে বঁটা

ফিলিপাইনৰ প্ৰয়াত ৰাষ্ট্ৰপতি ৰমন মেগছেছেৰ সোঁৱৰণত প্ৰতি বছৰে (১) আন্তৰ্জাতিক বুজা-পৰা, (২) সাংবাদিকতা, সাহিত্য আৰু সৃষ্টিশীল কৰ্মৰাজি, (৩) সামাজ সেৱা, (৪) চৰকাৰী সেৱা আৰু (৫) ৰাজহুৱা নেতৃত্বৰ বিষয়ত বিশিষ্ট সেৱা আগবঢ়োৱা ব্যক্তিক এই বঁটা প্ৰদান কৰা হয়। এই বঁটা ১৯৫৮ চনৰ পৰা প্ৰদান কৰি অহা হৈছে। এই বঁটাক এছিয়াৰ নোবেল বঁটা হিচাপেও অভিহিত কৰা হয়। এছিয়া মহাদেশৰ দেশসমূহৰ ব্যক্তি বা সংস্থাকহে এই বঁটা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই বঁটাত আছে এটি সোণৰ পদক, এখন প্ৰশস্তি পত্ৰ আৰু ৫০ হেজাৰ আমেৰিকান ডলাৰ। ইউনেস্কো (UNESCO) পুৰস্কাৰ বিশ্বশান্তি আৰু আন্তৰ্জাতিক বুজা-পৰাৰ ক্ষেত্ৰত আগবঢ়োৱা বিশিষ্ট সেৱাৰ বাবে প্ৰতি বছৰে ইউনেস্কো পুৰস্কাৰ প্ৰদান কৰা হয়।

## কলিংগ বঁটা

বিজ্ঞানক জনপ্ৰিয় কৰাত অনবদ্য বৰঙনি আগবঢ়োৱা ব্যক্তিক ইউনেস্কোৰ পৰা কলিংগ বঁটা প্ৰদান কৰা হয়। ১৯৫১ চনৰ পৰা এই বঁটা প্ৰদান কৰি অহা হৈছে।

## মানৱ অধিকাৰ বঁটা

মানৱ অধিকাৰ সুৰক্ষাৰ দিশত বিশিষ্ট বৰঙণি আগবঢ়োৱা ব্যক্তিক মানৱ অধিকাৰ বঁটা প্ৰদান কৰ হয়।

## গ্ৰেণ্ড এছিয়ান বঁটা

'ফুকুৰা এছিয়ান কালছাৰেল' সমিতিয়ে প্ৰতি বছৰে এছিয়াৰ কলা, সংস্কৃতি আদিৰ বিকাশ আৰু জনপ্ৰিয় কৰাৰ দিশত বিশিষ্ট বৰঙণি যোগোৱা ব্যক্তিক এই বঁটা প্ৰদান কৰে। এই বঁটাত আছে ৫ নিযুত য়েন (৮.৫ লাখ টকা।)

## ৰাষ্ট্ৰসংঘৰ জনসংখ্যা বঁটা

জনসংখ্যা বিস্ফোৰণ আৰু ইয়াৰ ফলত হোৱা সমস্যাৰ বিষয়ে জনগণক অৱগত কৰি জনসংখ্যা প্ৰতিৰোধৰ বাবে বিশিষ্ট সেৱা আগবঢ়োৱা ব্যক্তি বা সংস্থাক এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে ১০,০০০ ডলাৰ, এটা সোণৰ পদক আৰু এখন ডিপ্ল'মা।

## নিশাত-ই-পাকিস্তান

পাকিস্তানৰ সৰ্বোচ্চ সন্মান। ১৯৯১ চনত ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী মোৰাৰজী দেশাইক এই বঁটা প্ৰদান কৰা হৈছিল। সেইবাৰেই পাকিস্তানৰ বাহিৰৰ ব্যক্তিক এই সন্মান প্ৰথমবাৰৰ বাবে প্ৰদান কৰা হৈছিল।

## গ্লোবেল ৫০০ বঁটা

পৰিবেশ সুৰক্ষা আৰু সংৰক্ষণৰ দিশত বিশিষ্ট বৰঙণি আগবঢ়োৱা ব্যক্তিক 'গ্লোবেল ৫০০' বঁটা প্ৰদান কৰা হয়।

## পুলিৎজাৰ বঁটা

সাংবাদিকতা আৰু ইয়াৰ বিভিন্ন ক্ষেত্ৰ (যেনে ঃ জনসেৱা, অনুসন্ধানমূলক প্ৰতিবেদন, ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় প্ৰতিবেদন, নিবন্ধ লিখন সমালোচনা, সম্পাদকীয় লিখন, ফটোগ্ৰাফী আদি), সংগীত, সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত আগবঢ়োৱা বিশেষ বৰঙণিৰ বাবে বছৰি এই বঁটা প্ৰদান কৰা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'নিউয়ৰ্ক ৱৰ্ল্ড' কাকতৰ প্ৰকাশক তথা স্বত্বাধিকাৰী যোছেফ পুলিৎজাৰে (Joseph Pulitzer, 1848-1911) মৃত্যুৰ আগতে তেওঁৰ সমস্ত সম্পত্তি আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ৰ 'স্কুল অব্ জাৰ্নেলিজম'ক দান কৰি যায়। তেওঁৰ ইচ্ছা অনুসৰি প্ৰতিবছৰে পুলিৎজাৰৰ সম্পত্তিৰ ধনৰ অংশৰে বিভিন্ন ক্ষেত্ৰত এই বঁটা প্ৰদান কৰি অহা হৈছে। আমেৰিকাৰ শ্ৰেষ্ঠ বঁটাৰূপে অভিহিত পুলিৎজাৰ বঁটাৰ প্ৰতিটো শাখাৰ বৰ্তমানৰ (২০০২) অৰ্থমূল্য ৫,০০০ মাৰ্কিন ডলাৰ। অৱশ্যে জনসেৱা (সাংবাদিকতাত)- ৰ ক্ষেত্ৰত নগদ ধনৰ পৰিৱৰ্তে এটা পদকহে প্ৰদান কৰা হয়। ১৯১৭ চনৰ পৰা প্ৰদান কৰি এই বঁটা ২০০০ চনত ভাৰতৰ ঝুম্পা লাহিড়ীয়ে তেওঁৰ 'ইন্টাৰপ্ৰেটাৰ অব্ মেলাডিছ' গ্ৰন্থৰ বাবে লাভ কৰে।

## অস্কাৰ বঁটা

বিশ্ব চলচ্চিত্ৰৰ সৰ্বোচ্চ বঁটা। আমেৰিকাৰ 'একাডেমী অব্ ম'চন পিকচাৰ আৰ্টছ এণ্ড ছায়েন্সছ'-এ প্ৰতিবছৰে বিশ্বৰ সৰ্বশ্ৰেষ্ঠ চলচ্চিত্ৰ, তথ্যচিত্ৰ, পৰিচালক, অভিনেতা, অভিনেত্ৰী, কাহিনী, চিনেমাট'গ্ৰাফী, কলা-নিৰ্দেশনা, সম্পাদনা, সংগীত, স্পেচিয়েল এফেক্টছ, ৰূপসজ্জা, সাজসজ্জা, প্ৰযুক্তিগত অৱিহণা আদি বহুকেইটা শিতানত অস্কাৰ বঁটা প্ৰদান কৰে। এই বঁটা একাডেমী বঁটা বা একাডেমী এৱাৰ্ড নামেৰেও জনাজাত। ১৯২৯ চনৰ ১৬ মে'ত প্ৰথমবাৰৰ বাবে অস্কাৰ বঁটা প্ৰদান সমাৰোহ অনুষ্ঠিত হৈছিল। অস্কাৰ বঁটাটো প্ৰায় ৩.৬ কিলোগ্ৰাম ওজনৰ আৰু প্ৰায় ৩৪.৩ চেন্টিমিটাৰ উচ্চতাৰ এটা অৰ্দ্ধনগ্ন পুৰুষৰ মূৰ্তি। ২৪ কেৰেট সোণৰ প্ৰলেপ দিয়া ব্ৰঞ্জেৰে নিৰ্মিত এই মূৰ্তিটো থিয় হৈ আছে চলচ্চিত্ৰৰ ৰীলৰ আকৃতিৰ এক বেদীৰ ওপৰত। ভাৰতৰ ভানু আথাইয়া ('গান্ধী' ছবিৰ সাজসজ্জাৰ বাবে ১৯৮২ চনত) আৰু সত্যজিৎ ৰয়ে (চলচ্চিত্ৰ জগতলৈ জীৱন জোৰা সাধনাৰ বাবে বিশেষ অস্কাৰ বঁটা, ১৯৯২ চনত) অস্কাৰ বঁটা লাভ কৰিছে।

## ৰাইট লাইভলিহুড বঁটা (Right Livelihood Award)

প্ৰতিবছৰে পৰিবেশ, শান্তি, সমাজসেৱা আদি দিশত বিশিষ্ট সেৱা আগবঢ়োৱা ব্যক্তি বা সংস্থাক 'ৰাইট লাইভলিহুড' বঁটা প্ৰাদান কৰা হয়। এই বঁটাত আছে ২,৫০,০০০ ডলাৰ।

১৯৮০ চনত জাৰ্মান-ছুইডেনৰ সহযোগত এই বঁটা প্ৰতিষ্ঠা কৰা হয়। এক মূল্যৱান টিকট বিক্ৰীৰ জৰিয়তে এই বঁটাৰ পুঁজি সংগ্ৰহ কৰা হয়।

## টাইলৰ বঁটা

পৰিবেশ বিজ্ঞান, ৰাজহুৱা নেতৃত্ব আদিৰ বাবে বিশিষ্ট বৰঙণি আগবঢ়োৱা ব্যক্তি বা সংস্থাক টাইলৰ বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে ১,৫০,০০০ (২৯ লাখ টকা) ডলাৰ।

## টেম্‌প্লেটন (Templeton) বঁটা

আন্তৰ্জাতিক যোগাযোগ আৰু সহযোগিতাৰ ক্ষেত্ৰত অনবদ্য বৰঙণি আগবঢ়োৱা ব্যক্তি বা সংস্থাক এই বঁটা আগবঢ়োৱা হয়। পৃথিৱীৰ শীৰ্ষস্থানীয় বঁটাসমূহৰ ভিতৰত এই বঁটা অন্যতম। এই বঁটাত আছে ৮,০০,০০০ ডলাৰ, এই পৰিমাণ পৃথিৱীৰ সকলো বঁটাৰ সৰ্বোচ্চ।


## এলবাৰ্ট আইনষ্টাইন বঁটা

মানৱ সেৱা আৰু মানৱ সমস্যা সমাধানৰ ক্ষেত্ৰত বিজ্ঞানৰ জৰিয়তে আগবঢ়োৱা বিশিষ্ট অৱদানৰ বাবে এই বঁটা আগবঢ়োৱা হয়।

## বুকাৰ বঁটা

সাহিত্যক্ষেত্ৰত প্ৰদৰ্শন কৰা বিৰল দক্ষতাৰ বাবে বছৰি এই বঁটা প্ৰদান কৰা হয়। গ্ৰেট ব্ৰিটেইনৰ 'বুকাৰ পাব্লিক লিমিটেড কোম্পানী'ৰ দ্বাৰা প্ৰদত্ত এই বঁটা ব্ৰিটেইন, আয়াৰলেণ্ড আৰু কমনৱেলথ দেশৰ সাহিত্যিককহে প্ৰদান কৰা হয়। ১৯৬৯ চনৰ পৰা এই বঁটা প্ৰদান কৰি অহা হৈছে। বুকাৰ বঁটা সাধাৰণতে এক নিৰ্দিষ্ট বছৰত প্ৰকাশিত শ্ৰেষ্ঠ উপন্যাসখনক প্ৰদান কৰা হয়। এই বঁটাৰ অৰ্থমূল্য প্ৰায় ৫০,০০০ পাউণ্ড-ষ্টাৰ্লিং। ১৯৯৭ চনত ভাৰতৰ অৰুন্ধতী ৰয়ে তেওঁৰ 'গড অব্ স্মল থিংছ' উপন্যাসৰ বাবে এই বঁটা লাভ কৰে। বুকাৰ বঁটা লাভ কৰা তেৰেঁই তেতিয়ালৈকে (২০০২) একমাত্ৰ ভাৰতীয়।

# প্ৰতিবেদন



প্ৰতিবেদনৰ বুলনিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰী তথা বন্ধু বৰ্গলৈ মই শ্ৰদ্ধা, মৰম আৰু শুভেচ্ছা জ্ঞাপন কৰিলো লগতে এইখন মহাবিদ্যালয়ৰপ্ৰতিষ্ঠাৰ নামত যিসকল ব্যক্তিয়ে অহোপুৰুষাৰ্থ কৰি মহাবিদ্যালয়খনতসুশিক্ষাৰ মানদণ্ডঅটুত ৰখাৰ বাবে সুযোগকণ দি গ'ল সেইসকল পৰম শ্ৰদ্ধেয় ব্যক্তিলৈও মোৰ ফালৰ পৰা যাচিছোঁ আন্তৰিক শ্ৰদ্ধা।

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ২০০৯-২০১০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই উপ-সভাপতি পদত নিৰ্বাচিত হৈ মহাবিদ্যালয়খনৰ সেৱা আগবঢ়োৱাৰ কিছু সুযোগ পাইছো।

২০০৯-২০১০ ইং বৰ্ষত আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতে প্ৰথম অনুষ্ঠিত কৰা হয় "বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ"। এই মহাবিদ্যালয় সপ্তাহত বিভিন্ন কাৰ্যসূচীত অংশ গ্ৰহণ কৰা সকলোবোৰ প্ৰতিযোগীৰ লগতে বিশেষকৈ পুৰষ্কাৰ প্ৰাপ্ত প্ৰতিযোগীসকললৈ মোৰ ফালৰ পৰা অভিনন্দন তথা মৰম, স্নেহ আগবঢ়াই তেওঁলোকৰ ভৱিষ্যত উজ্বল কামনা কৰিলো। মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন অনুষ্ঠানৰ বিভিন্ন খেল ধেমালী প্ৰতিযোগিতাৰ পাৰদৰ্শিতা দেখুৱাই পুৰষ্কাৰ লাভ কৰিবলৈ সক্ষম হোৱা ছাত্ৰ ছাত্ৰী সকললৈ মোৰ ফালৰ পৰা শুভকামনা জ্ঞাপন কৰিলো।

মহাবিদ্যালয়খনত আকৌ অন্যান্যকিছুমান অনুষ্ঠান যেনে - বিশ্বকৰ্মা পূজা, সৰস্বতী পূজা, নৱাগত আদৰণী সভা আদিবোৰ অনুষ্ঠিত কৰা হয়। বিশেষকৈ 'নবাগত আদৰণী' সভাত অনুষ্ঠিত হোৱা কাৰ্যসূচীবোৰও উলহ মালহেৰে পাৰ হৈ যায়। নৱাগত আদৰণী সভাৰ নিমন্ত্ৰিত অতিথি ৰাষ্ট্ৰীয় পুৰষ্কাৰ প্ৰাপ্ত কণ্ঠশিল্পী তথা সংগীত পৰিচালক শ্ৰীযুতা তৰালীশৰ্মা বাইদেউৰ "অনুৰাগ তোমাৰ বাবে অনুভূতি তোমাৰ বাবে" শীৰ্ষক গীতটিয়ে মোক বিশেষকৈ অনুপ্ৰাণিত কৰাৰ লগতে অন্যান্য সকলোবোৰ ছাত্ৰ ছাত্ৰী তথা বন্ধু বৰ্গক অনুপ্ৰাণিত কৰা বুলি বোধ হয়। ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ সময়ত বিভিন্ন দিশৰ পৰা বিশেষভাবে সহায়ৰ হাত আগবঢ়োৱা মোৰ বন্ধু বান্ধবী ক্ৰমে -- নৰ কুমাৰ, চুনু, আজিজুল, বৈকুণ্ঠ, দীপ, গোলাম, নজৰুল, ফাইজনুৰ, মৃদুল দাস, মৃদুল চৌধুৰী, লাৱন্য, শিখাৰাণী, ভণীতা, অঞ্জলী, ধৰিত্ৰী, মণিকা, বিউটি, জেছমিনা লৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ লগতে ছাৰ বাইদেউ তথা বিষয়ববীয়ালৈকে আন্তৰিক প্ৰীতি ভক্তি আৰু শ্ৰদ্ধা জনাই মহাবিদ্যালয়খনৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদন সমাপ্ত কৰিলো।

"জয়তু জৱাহৰ জ্যোতি"
"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো"

শ্ৰীৰাজু কলিতা
*উপ-সভাপতি*
ছাত্ৰ একতা সভা ২০০৯-২০১০ বৰ্ষ

# THE REPORT OF THE GENERAL SECRETARY

**Jawaharlal Nehru College, Boko**



At the beginning, I convey my deep gratitude to the honourable Principal, Teachers, Non-teaching Staff, Union Secretaries, Students and my dear friends. I am also thankful to all the students who supported me and selected me woman as General Secretary of J.N.College for session 2009-2010 and gave me the opportunity to serve the College during my term with utmost sincerity by strictly adhering to the rules and regulations of our esteem college.

During my tenure, firstly I had the opportunity to organise meeting with Dr. Sharat Ch. Rabha, Chief of Rabha Autonomous Council, which alloted to our College valuable books for our College library, Steel Almirahs Etc. This evente was illuminated by.the valuable speech of Dr. Sarat Ch. Rabha.

Thereafter, a free health checkup Camp was organised, where 4 to 5 Doctors were engaged for the checkup where free medicines were also distributed by the Government.

Then, six of our college students made us feel proud when they were selected for their talent in singing, dancing by the National Army and they were also taken for a National Tour for 10 days. Preceeding that, they arranged a colourful programme in our College where the selected students alongwith other nearby school were given a farewelled. In the function the Army Jawans performed cultural items like bhangra dance, punjabi songs etc.

The Annual College Week was celebrated from 18th of Dec to 26th Dec 2009 and started with the hosting of the College Flag by our Honourable Principal Dr Nripen Goswami. Then the martyrs were been offered tributes where Sri Abani Kr. Das, Head of Geography Deptt. was invited to offered the same. From that day onwards verious sports competitions began. The cultural competition started from 23rd of Dec. which was inaugurated by the Principal himself. The college week came to an end on 23rd of Dec and the prize were distributed to the winners. Dr. Malina Rabha Devi Principal of Dhupdhara College, Dr. Arun Ch. Sharma, Principal of Chaygaon College were invited as chief guest for the occasion. This festival would not have been a success without the co-operation, suggestion and active participation of our teachers and students. So, I am greateful to my teachers as well as the students.

We felt very happy that our College got the opportunity to participate in the youth festival organised by the University from 19th August, 2010 to 23rd of August 2010. The participants from

out college competed in the traditional group dance, singing competition and art competition. And fortunately, we feel proud that we could bring fame for the college. During my term many developmental works were organised / taken and are in progress. The auditorium hall was provided with ceilings, fans, wiring etc. And the construction of the approach roads started and will be completed soon. The office building is nearing completion and the extension building is under construction. It is worth mentioning that we invited in our cultural programme, Smt. Tarali Sarma, Sri Gautam Sarma, Dr. Dilip Borah and Smt. Tanvir Sarma who attended our programmes.

During my term, we the members of the Union Body could get a flower garden alloted from the local M.L.A. fund. But is yet to be materialzed.

Like the previous years we organised the freshmen social function on the college field on 27th August. Respectful dignitaries were invited to grace the occasion. We also organised the Saraswati puja in the College field. By organising these events we had the opportunity to show our dedication and ability to put hard lobour through these activities.

The last event, we got the chance to attend the seminar on Semester system, which was held with the aid of Gauhati University. We are happy to know that from next year onwards the Degree Exam will be held according to the semester system. We hope that it would bring fruitful results for the students.

At the end before ending my report, I would like to thank our Honourable Principal Dr. Nripen Goswami, Vice-Principal L.K.Sarma, all the members of the Teaching and Non-Teaching staff, the secretaries of the student union, students and friends for cooperating and helping me in every step in my tenure.

**Miss Anjali Basumatary**
*General Secretary*
Students Union, J.N.College, Boko



# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ সেইসকল শিক্ষাৰ্থীলৈ যিসকলে মোক অতি মৰমেৰে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ দৰে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ ২০০৯-২০১০ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনৰ প্ৰতি সেৱা আগবঢ়াবলৈ সুযোগ প্ৰদান কৰিলে। সাংস্কৃতিক সম্পাদকৰ দৰে এটি গুৰুত্বপূৰ্ণ তথা দায়িত্বপূৰ্ণ পদৰ অধিকাৰী হৈ মহাব্যিদালয়খনলৈ কি সেৱা আগবঢ়াব পাৰিলোঁ বা নোৱাৰিলোঁ তাক সংশ্লিষ্ট সকলোৱে বিচাৰ কৰি চাব! কিন্তু বিগত বছৰটোত মহাবিদ্যালয়খনৰ সাংস্কৃতিক দিশত উন্নয়নৰ বাবে আমি চেষ্টাব ক্ৰুটি কৰা নাছিলো।

৩০-১০-০৯ ইং তাৰিখে সাংস্কৃতিক সম্পাদকৰ পদত শপত গ্ৰহণ কৰাৰ পিছতেই ০৫-১২-০৯ ইং তাৰিখৰ পৰা ১৫-১২-০৯ ইং তাৰিখলৈ গুৰু কৃশল ৰাভাৰ অধীনত ১০ দিনীয়া 'ৰাভা লোক নৃত্য' আৰু ০৮-০১-১০ ইং তাৰিখৰ পৰা ২০-০১-১০ ইং তাৰিখলৈ ১২ দিনীয়া 'বড়ো লোক নৃত্যৰ' প্ৰশিক্ষণ দিয়া হয়। মোৰ কাৰ্যকালত ২২ দিনীয়া 'লোক নৃত্য'ৰ প্ৰশিক্ষণ দিয়া হয়। প্ৰথম অৱস্থাত ছাত্ৰ ছাত্ৰীৰ সংখ্যা ১০০ জনৰো অধিক আছিল। পিছলৈ ছাত্ৰ ছাত্ৰীৰ সংখ্যা কমি যায় যদিও নিৰ্দিষ্ট ছাত্ৰ ছাত্ৰীৰ দ্বাৰা এটা ১৩ জনীয়া লোক নৃত্যৰ দল গঠন কৰি লোৱা হয়।

বিগত বছৰৰ দৰে এই বছৰো বাৰ্ষিক সপ্তাহ ১৯-১২-০৯ ইং তাৰিখৰ পৰা ২৩-১২-০৯ ইং তাৰিখলৈ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ সপ্তাহত সাংস্কৃতিক বিভাগৰ বিভিন্ন গীতমাত নৃত্যআদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। কিন্তু মন কৰিবলগীয়া অনুষ্ঠানবিলাকত ছাত্ৰ ছাত্ৰী দৰ্শকৰ সংখ্যা কম আৰু আধুনিক গীত প্ৰতিযোগিতাৰ বাহিৰে প্ৰায়বোৰ প্ৰতিযোগিতাতে প্ৰতিযোগীৰ সংখ্যা নূন্যতম। সেইবাবে ছাত্ৰ ছাত্ৰীলৈ বিশেষ ভাবে অনুৰোধ কৰো যে পৰৱৰ্তী পৰ্যায়ত সাংস্কৃতিক প্ৰতিযোগিতাবোৰত অংশ গ্ৰহণ কৰি অনষ্ঠানসমূহ যেন অতি আকৰ্ষণীয় কৰি তোলে। ২৬-১২-০৯ ইং তাৰিখে বটা বিতৰণী অনুষ্ঠানটো মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ দ্বাৰা গঠিত 'ৰাভা লোক নৃত্য'ৰে অনুষ্ঠানটি অতিকৈ আকৰ্ষণীয় কৰি তুলিবলৈ সক্ষম হওঁ।

আগষ্ট মাহৰ ৩ তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়, সাংস্কৃতিক শোভা যাত্ৰাৰে, কিন্তু এইবেলি মহাবিদ্যালয়ৰ "Women cell" ৰ এখন সভাৰ লগত সঙ্গতি ৰাখি বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। এই অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ দ্বাৰা 'ৰাভা লোক নৃত্য' প্ৰদৰ্শন কৰা হয়।

গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ সাংস্কৃতিক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ে ৰাভা লোক নৃত্যত ২য় স্থান লাভ কৰে আৰু মিচ্ গৰিমা ৰাভাই পৰম্পৰা জনজাতীয় গীতৰ প্ৰতিযোগিতাত ২ য় স্থান লাভ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে। এই কৃতিত্বৰ বাবে নৃত্য শিল্পীসকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকালত সাংস্কৃতিক দিশত উৎসাহ উদ্দীপনা আগবঢ়োৱা মোৰ পৰিদৰ্শক শিক্ষাগুৰু ড° তপন দত্ত ছাৰ, মঞ্জিৰা শৰ্মাবাইদেউ, আৰু কমিতা ফুকন বাইদেউৰ ওচৰত মই চিৰ কৃতজ্ঞ। আৰু এইদৰে ভৱিষ্যতেও যেন ছাৰ বাইদেউসকলে মহাবিদ্যালয়ৰ প্ৰতি দৃষ্টি ৰাখি বৰ্তমানলৈকে সাংস্কৃতিক দিশটো আৰু যেন উন্নত কৰিব পাৰে তাৰবাবে মোৰ শিক্ষাগুৰু বাইদেউ সকলক মই অনুৰোধ কৰিছোঁ। লগতে মোৰ কাৰ্যকালত প্ৰতিটো মূহুৰ্ততে সহায় সহযোগীতা আগবঢ়োৱা মোৰ জ্যেষ্ঠ ভাতৃ প্ৰতীম বকো জাৰাপাৰাৰ শ্ৰীসদানন্দ ৰাভাক মই অশেষ ধন্যবাদ আৰু শুভেচ্ছা যাচিছোঁ। লগতে মোৰ ছাঁটোৰ দৰে লাগি থকা মোৰ প্ৰিয় বন্ধু বান্ধৱীসকল হ'ল — অনুপম দাস, চয়নিকা দাস, অঞ্জুমণি, দ্বীপজ্যোতি বণিক্য, ৰাজু বড়ো, ৰুবুল দাস, চন্দামিতা দাস, ধীৰেণ ঠাকুৰীয়া, হেমেন দাস, অজিত নাথ, অলি কলিতা, নিতুল পাটোৱাৰী সকলোলৈ মই হিয়া ভৰা মৰম আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকালত অনিচ্ছাকৃতভাবে হোৱা ভুল ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। শেষত জৱাহৰ জ্যোতি আৰু মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু জৱাহাৰ লাল নেহৰু মহাবিদ্যালয়।

জয়তু জৱাহৰ জ্যোতি।।

**শ্ৰীবিপুল ৰাভা**

সাংস্কৃতিক সম্পাদক, ছাত্ৰ একতা সভা

## প্ৰতিবেদন, সমাজ সেৱা বিভাগ



প্ৰতিবেদনৰ আৰম্ভণিতে বীৰ শ্বহীদসকললৈ সশ্ৰদ্ধ প্ৰণাম লগতে মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাগুৰু বৃন্দ আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দলৈ শ্ৰদ্ধা আগবঢ়াইছো। মোক যিসকল বন্ধু বান্ধৱী তথা দাদা বাইদেউৱে ইং ২০০৯-২০১০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ 'সমাজ-সেৱা' বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰিলে সেই সকললৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মই সমাজ সেৱা বিভাগৰ দায়িত্ব লোৱাৰ পিছত আমাৰ মহাবিদ্যালয় সপ্তাহত কামবোৰ সু-পৰিচালনাৰে চলাই নিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছো। বিগত আন আন বছৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয় সপ্তাহত মহাবিদ্যালয়ৰ চৌহদ পৰিস্কাৰ কৰাৰ বাবে খেল প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। প্ৰতিযোগিতাত মোৰ মৰমৰ যিসকল বন্ধু বান্ধৱী তথা দাদা বাইদেউৱে অংশ গ্ৰহণ কৰিছিল সেইসকল অংশগ্ৰহণকাৰী বন্ধু বান্ধৱী তথা দাদা বাইদেউসকলক নিৰ্বাচন কৰি পুৰষ্কাৰ প্ৰদান কৰা হয়।

মোৰ এই কাৰ্যকালত নানান দিশত দিহা-পৰামৰ্শ দি উপকৃত কৰাৰ কাৰণে মোৰ শিক্ষাগুৰু, সমাজ সেৱা বিভাগৰ তত্বাৱধায়ক শ্ৰীজ্যোতিপ্ৰসাদশৰ্মা বৰুৱা ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মহাবিদ্যালয়ত অহাৰ আগৰে পৰা মোৰ মনত এক প্ৰকাৰৰ আশা আছিল যে মই এদিন মহাবিদ্যালয়ত মোৰ ফালৰপৰা সেৱা আগবঢ়াম। মই আশা কৰাৰ দৰে ২০০৯-২০১০ ইং বৰ্ষত মই মহাবিদ্যালয়খনত 'সেৱা' আগবঢ়াবলৈ পাই খুব আনন্দিত আৰু গৌৰৱান্বিত।

তাৰ উপৰিও মোক বিভিন্ ধৰণে সহায় কৰা বন্ধু বান্ধৱী বিক্ৰম, জেহেৰুল, অজিত, বাপন, ৰবিন, দেৱজিৎ, লৰ, মণি, গংগা, বৰ্ণালী আৰু নৱজ্যোতিলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। শেষত মোৰ অজানিতে হোৱা ভুলৰ মাৰ্জনা বিচাৰি জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ দীৰ্ঘায়ু আৰু উজ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ভৃগু দলৈ
সম্পাদক, সমাজ সেৱা বিভাগ



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল সমাজ সেৱক লোকে বহু ত্যাগৰ মাজেৰে বকোত জৱাহৰলাল নেহৰু মহাবিদ্যালয় খন গঢ়ি আমাক উচ্চ শিক্ষা গ্ৰহণ কৰাৰ বাবে সুযোগ দিছে, সেইসকল ব্যক্তিলৈ মই আন্তৰিক শ্ৰদ্ধা জনাব বিচাৰিছো। ২০০৯-২০১০ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ ক্ৰীড়া সম্পাদক হিচাপে নিৰ্বাচিত কৰি মোক এই মহান অনুষ্ঠানখনৰ সেৱাৰ সুযোগকণ দিয়াৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধবীক এই ছেগোতে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছত মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। ইয়াত অনুষ্ঠিত হোৱা প্ৰায়বোৰ ক্ৰীড়া প্ৰতিযোগিতাত আগ্ৰহী প্ৰতিযোগীসকলে অংশ গ্ৰহণ কৰি নিজ নিজ প্ৰতিভাসমূহ দেখুৱাবলৈ সমৰ্থ হয়। মোৰ এই কাৰ্যকালত ছাত্ৰ -ছাত্ৰীসকলৰ প্ৰথম বাৰৰ বাবে All Style Kickboxing নামৰ এখন খেল মহাবিদ্যালয়ত অনুষ্ঠিত কৰা হয়।

ক্ৰীড়া বিভাগৰ প্ৰতিযোগীতাসমূহ সুচাৰুৰূপে চলাই নিয়াত সুবিচাৰ কৰি দিয়া মোৰ বিভাগীয় তত্ত্বাৱধায়ক শ্ৰীযুত পুলক তালুকদাৰ ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মোৰ কাম-কাজসমূহ চলাই নিয়াত সহায় আগবঢ়োৱাৰ কাৰণে নিপেন দাস, ৰঙ্গৰাজ ভাগৱতী, শংকৰদেৱ ৰাভা, প্ৰাঞ্জল ৰাভা, নমল ডেকাআৰু সুৰেন্দ্ৰ সিং ৰাথাৰলৈ আন্তৰিক ধন্যবাদ জনাইছো।

শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুলৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ সকলো বিষয়ববীয়ালৈ আন্তৰিক শ্ৰদ্ধা জনাই মোৰ প্ৰতিবেদন ইমানতে সামৰণি মাৰিলো।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়

শ্ৰীনৱজ্যোতি বৰকাকতি
সম্পাদকস ক্ৰীড়া বিভাগ।

## প্ৰতিবেদন, ছাত্ৰ জিৰণি কোঠা বিভাগ



প্ৰতিবেদনৰ আৰম্ভনিতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জি ৰণি কোঠাৰ কাম আৰু সেৱা কৰাৰ সুযোগকণ দিয়া সকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ছাত্ৰ একতা সভাৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই গতানুগতিকভাবে মহাবিদ্যালয় সপ্তাহৰ কাৰ্যসূচী চলাই নিও। পৰম্পৰাগত ভাৱেই এই বেলি মহাবিদ্যালয় সপ্তাহৰ কাৰ্যসূচীসমূহ এনে ধৰণৰ — কেৰম, ডবা, পাঞ্জা ইত্যাদি। প্ৰতিযোগিতাবোৰ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সক্ষম হওঁ।

এই প্ৰতিযোগিতাবোৰত ছাত্ৰসকলৰ আশানুৰূপ অংশ গ্ৰহণৰ কাৰণে মই তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ কাৰ্যকালৰ শেষৰ কাৰ্যসূচী আছিল নবাগত আদৰণী সভা। নবাগত ছাত্ৰ-ছাত্ৰী সকলক আদৰণী জনোৱাৰ অৰ্থে আয়োজন কৰা নবাগত আদৰণী সভাখন দিনযোৰা কাৰ্যসূচীৰে শিক্ষক শিক্ষয়িত্ৰী, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত মহাবিদ্যালয়ৰ চৌহদত সফলতাৰে অনুষ্ঠিত কৰা হয়।

মোৰ কাৰ্যকালত প্ৰতিটো কাৰ্যতে সহায় সহযোগিতা আৰু পৰামৰ্শ দান কৰা মোৰ শ্ৰদ্ধাৰ প্ৰবোধ ছাৰলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। আৰু শ্ৰদ্ধেয় অধ্যক্ষ মহোদয় মাননীয় ড° নৃপেন গোস্বামী লগতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ সমূহ শিক্ষক -শিক্ষয়িত্ৰীলৈ আৰু সকলো দিশতে সহায়ৰ হাত আগবঢ়োৱা বন্ধু বান্ধৱী যেনে — বুবুল, ৰতন, বশিষ্ঠ, ডিম্বেশ্বৰ, মুস্তাফা, কৰবী, ৰিংকু, ইনো আদিলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। অৱশেষত সম্পাদক হিচাপে অজানিতে কৰা ভুল ক্ৰুটিৰ বাবে ক্ষমা বিচাৰি জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলো।

"জয় আই অসম"

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়

দেৱজিৎ কলিতা

ছাত্ৰ জিৰণি কোঠা, সম্পাদক

## প্ৰতিবেদন, সহঃ আলোচনী সম্পাদিকা

লিখনীৰ আৰম্ভণিতে বকো জৱাহৰ লাল নেহৰু মহাবিদ্যালয়ৰ সমূহ শিক্ষা গুৰু আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ শ্ৰদ্ধা, মৰম আৰু শুভেচ্ছা জ্ঞাপন কৰিলো।

যোৱা বৰ্ষত জৱাহৰ লাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দিতাই সহঃ আলোচনী বিভাগত নিৰ্বাচিত কৰি মোক এই মহান অনুষ্ঠানটোৰ সেৱা কৰাৰ সুবিধাকণ দিয়াৰ বাবে প্ৰতিজন বন্ধু বান্ধৱীক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

উক্ত সময়ছোৱাত ছাত্ৰ একতা সভাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ঐক্য আৰু আন্তৰিকতাৰ সুস্থ পৰিবেশ গঢ়ি তোলাৰ প্ৰয়াস কৰিছিলো। এই ক্ষেত্ৰত আমি কিমান দূৰ সফল হৈছিলো সেয়া ছাত্ৰ-ছাত্ৰী সকলৰ বিচাৰ্য্য।

মই সৰুৰে পৰা লেখা মেলা কাম খুবেই ভাল পাইছিলো। সৰু সৰু গল্প কবিতা প্ৰবন্ধ আদি লিখিছিলো যদিও সময়ৰ সোঁতত দেখা দিয়া সমস্যা আৰু সংঘাটৰ বাবে লেখা পঢ়া প্ৰায় নাইকীয়া হৈ পৰিছিল। আলোচনী বিভাগৰ বিষয়ববীয়া হোৱাত পুনৰ হাতত কলম তুলি ললোঁ।

মই কব খোজো 'কবিতা' এটা মনৰ আবেগ, অনুভূতি। প্ৰকাশ কৰিব নোৱাৰা সুখ অথবা দুখৰ ৰহস্যময়ী আশা, কল্পনা ভাবনা অথবা এক বাস্তৱ ময় বিষয় ঠিক তেনেদৰে গল্প, প্ৰবন্ধ আদিও মানুহৰ মনৰ দাপোণত আবদ্ধ হৈ থকা এক গভীৰ কলা প্ৰতিভা। এজন কথা নোকোৱা মানুহক (কম কথা কোৱা) আমি তেওঁৰ লেখনিৰ দ্বাৰা বুজিব পাৰো। এজন কবি বা এজন লেখকক আমি তেওঁৰ লেখনি বা কবিতাৰ দ্বাৰা তেওঁৰ মনৰ পৰিচয় পাব পাৰো আৰু নজনা বহু কথা শিকিব পাৰো।

আমাৰ মহাবিদ্যালয়ত প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰাৰ সময়ত গল্প, প্ৰবন্ধ আদিৰ লেখা প্ৰায় কমেই পোৱা যায়। এই লেখাবোৰৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলে বিশেষ গুৰুত্ব দিয়া উচিত। সময়ৰ লগে লগে আমি সদায় উন্নতিৰ পথত খোজ কাঢ়িব লাগে। নহলে এদিন আমাৰ মাজৰ সাহিত্য হেৰাই যাব।

শেষত আমাৰ কাৰ্যকালত সকলো দিশতে দিহা পৰামৰ্শ দি সহায় কৰা বাবে অধ্যাপিকা শ্ৰী মঞ্জীৰা শৰ্মা বাইদেউলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো লগতে আলোচনী প্ৰকাশ কৰাৰ কাৰণে যিসকলৰ লেখনি দি আমাক সহায় কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়

শ্ৰীঅঞ্জুমণি ৰাভা, সহঃ আলোচনী সম্পাদক

# প্ৰতিবেদন, সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা



প্ৰতিবেদনৰ আৰম্ভণিতে ২০০৯-২০১০ ইং শিক্ষা বৰ্ষৰ বাবে হোৱা জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিপুল সংখ্যক ভোটত মোক জয়যুক্ত কৰি মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়াৰ কাৰণে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ আন্তৰিত কৃতজ্ঞতা জ্ঞাপন কৰিলো।

বিগত বছৰ বোৰৰ দৰেই এই বছৰো আমি কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পাছতে আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ কৰা হয় আৰু এই মহাবিদ্যালয় সপ্তাহ উপলক্ষে ছাত্ৰী জিৰণি কোঠাৰ তৰফৰ পৰাও কিছুমান খেল ধেমালী অনুষ্ঠিত কৰা হয়। কিন্তু অতি পৰিতাপৰ বিষয় যে কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে খেল ধেমালী আৰু অন্যান্য প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰা দেখা যায় তাৰ কাৰণে কিছুমান খেল ধেমালী বাতিল কৰিবলগীয়া হয়। আজিৰ এই নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীৰ খেলা-ধূলাৰ প্ৰতি যেন কোনো আগ্ৰহ নাই। অকল পঢ়া শুনাই নহয়। ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ কাৰণে খেল ধেমালীৰো অতি প্ৰয়োজন আছে।

বৰ্তমান বিদ্যালয় আৰু মহাবিদ্যালয় সমূহত খেল ধেমালীৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে যদিও খেল ধেমালীৰ বিকাশ যিমান হব লাগিছিল সিমানখিনি এতিয়াও হোৱাগৈ নাই। সেয়ে এই ছেগতে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক এই বিষয়ত যথোপযুক্তপদক্ষেপ গ্ৰহণৰ কাৰণে অনুৰোধ জনালো। লগতে ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকলে মনোযোগ দি খেল ঘেমালীক গুৰুত্ব দিব বুলি মই কামনা কৰিছো।

মোৰ কাৰ্যকালত মোক বিভিন্ন ধৰণে দিহা পৰামৰ্শ দি উপকৃত কৰাৰ কাৰণে মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু তত্বাৱধায়িকা শ্ৰীযুতা দীপাঞ্জলী দাস বাইদেউ আৰু শ্ৰীযুতা মঞ্জীৰা শৰ্মা বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী সকল ক্ৰমে- অঞ্জু বা, ববিতা, নিতুদা, ইচা, ফান ফিউলী, কৰিস্মা, গংগা, দিপাঞ্জলী, ভৃগু, দেৱ, ৰাজু, অঞ্জলী বা, পৰাগ আৰু ছাত্ৰ একতা সভাৰ সদস্য-সদস্যা তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত, এবছৰীয়া কালছোৱাতমই কিমানখিনি সফলতা আগবঢ়াইছো তাৰ বিচাৰ আপোনালোকৰ হাতত অৰ্পন কৰিছোঁ। সদৌ শেষত, জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি অজানিতে হোৱা ভুলৰ ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদন ইমানতে সামৰিলো।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়

শ্ৰীকণমনি বড়ো  
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

**২০০৯-১০ শিক্ষাবৰ্ষৰ 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে ছাত্ৰী জিৰণি কোঠাৰ তৰফৰ পৰা অনুষ্ঠিত কৰা খেল-ধেমালিৰ ফলাফলসমূহ**

(১) ছোৱালীৰ কেৰম (একক)  
১ম মিচ্ নন্দিতা ৰাভা (স্নাতক ২য় বৰ্ষ)  
২য় মিচ্ নৱনিতা খাখলাৰী (উঃ মাঃ ১ম বৰ্ষ)

কেৰম (দ্বৈত)  
১ম (১) মিচ কৰিশ্মা ৰাভা (স্নাতক ১ ম বৰ্ষ)  
(২) যুতিকা দাস (স্নাতক ১ ম বৰ্ষ)  
২য় (১) মিচ পাৰবিনা চুলতানা (উঃ মাঃ ১ম বৰ্ষ)  
(২) মিচ ভবানী মজুমদাৰ (উঃ মাঃ ১ম বৰ্ষ)

(২) বেডমিন্টন (একক)  
১ম মিচ গংগামনি বড়ো (উঃ মাঃ ১ম বৰ্ষ)  
২য় মিচ পাৰবিনা চুলতানা (উঃ মাঃ ১ম বৰ্ষ)

বেডমিন্টিন (দ্বৈত)  
১ম মিচ কৰিশ্মা ৰাভা (স্নাতক ১ ম বৰ্ষ)  
মিচ গংগামনি বড়ো (উঃ মাঃ ১ম বৰ্ষ)  
২য় মিচ্ নন্দিতা ৰাভা (স্নাতক ২য় বৰ্ষ)  
মিচ্ ময়ুৰী ৰাভা (উঃ মাঃ ১ম বৰ্ষ)

(৩) ৰিং (একক)  
১ম মিচ্ নৱনিতা খাখলাৰী (উঃ মাঃ ১ম বৰ্ষ)  
২য় মিচ পাৰবিনা চুলতানা (উঃ মাঃ ১ম বৰ্ষ)

(৪) কইনা প্ৰতিযোগীতা  
১ম মিচ জ্যোতি প্ৰভা অধিকাৰী (স্নাতক ১ম বৰ্ষ)  
২য় মিচ মধুমিতা দাস (স্নাতক ২য় বৰ্ষ)

(৫) পুষ্প সজ্জা প্ৰতিযোগীতা  
১ম মিচ জিম্‌লী দাস (স্নাতক ২য় বৰ্ষ)  
২য় ৰিংকুমণি মহন্ত (স্নাতক ১ম বৰ্ষ)

(৬) পিঠা- পোনা প্ৰতিযোগীতা  
১ম মিচ মধুমিতা দাস (স্নাতক ২য় বৰ্ষ)  
২য মিচ মেহজাবিনা আহমেদ (স্নাতক ১ম বৰ্ষ)

# REPORT ON DEBATE AND SYMPOSIUM



At the very outset, I would like to express my heartiest gratitude to all the teachers and the students of J.N. College, Boko for selecting me as the debating and Symposium secretary of the college for the session 2009-2010 and also for giving me the opportunity to involve myself actively for the welfare of the college.

For an all round development of an individual, valuable discussions on issues important topics are necessary and for this purpose debate, quiz, speeche, extempore speech etc should be conducted in schools and colleges. It is also a part and parcel of education.

Like the previous years this year too, in the college week function, various competitions like debating competition, quiz competition, extempore speech, open speech, recitation in both English and Assamese were conducted. Students in large number participated in these competitions which ended smoothly and peacefully.

And in conclusion of this report I would like to sincerely thank specially to my teacher in-charge Sir Shri Manoj Kr Das (Deptt of Physics) who gave me valuable advice in my works and helped me to conduct it smoothly. I am also thankful to all those students who helped me immensely in performing my duties smoothly and honestly.

With Thanks

**Miss Bobita R Marak**
*Secretary*
Debate and Symposium

## RESULTS OF THE VARIOUS COMPETITIONS HELD IN COLLEGE WEEK

1. Poetry Recitation (English)
   1st Prize -Miss Minakshi Kalita (H.S. 1st Year)
2. Poetry Recitation (Assamese)
   First--Miss Minakshi Kalita (H.S.1st Year)
   Second--Miss Tunumoni Das (H.S.1st Year)
   Third--Miss Garima Rabha (T.D.C.2nd Year)
3. Extempore Speech Competition
   First --Sri Naba Kumar Kalita (T.D.C.1st Year)
   Second--Sri Ansuma Konquer Khakhalary (H.S.2nd Year)
   Third -- Miss Anju Rabha (T.D.C. 2nd Year)
4. Open Speech Competition
   First -- Miss Amika Sunar (T.D.C. 2nd Year)
   Second-- Miss Garima Rabha (T.D.C. 2nd Year)
   Third --Sri Biplob Chakraborty (T.D.C. 2nd Year)
   Sri Nabajyoti Kalita (H.S. 1st Year)
5. Quiz Competition
   First ---Sri Anupam Kalita (T.D.C. 2nd Year)
   Sri Karuna Kalita (T.D.C. 2nd Year)
   Second -- Sri Rangaraj Bhagawati (T.D.C. 1st Year
   Miss Pallabi Das (H.S.2nd Year)

# JAWAHARJYOTI

## Vol.-XXXII

## Session - 2009-10

# ENGLISH SECTION

Editor
Nitumoni Talukdar

In-charge
Manjira Sarma

Asstt. Editor
Anjumoni Rabha

# CONTENTS

MEDITATION-A WAY TO LEAD A GOOD LIFE 106
Mrs. Joyshri Bhuyan

ELECTROMAGNETIC WAVES AND THE BEAUTY 108
Minati Barman

MATHEMATICS IN MUSIC 111
Dr. Dipankar Sarma

THE TRIBES OF NORTH EAST INDIA AND THEIR DISTRIBUTION 117
Mahananda Das

REJUVENATION 119
Mrs Alimpa Bhuyan Boruah

"CHILD LABOUR"--A CURSE FOR THE SOCIETY 121
Mrs Rumita Phukon

THE ROLE OF ESSENTIAL TRACE ELEMENTS IN BIOLOGICAL SYSTEMS 126
J. P. Sarma Baruah

ORNAMENTAL FISHES 130
Nanda Devi (H.O.D.)

ATMOSPHERIC DUST AND ITS MEASUREMENT 131
Pranab Sarma

# MEDITATION-A WAY TO LEAD A GOOD LIFE

**Mrs. Joyshri Bhuyan**
Deptt. of Anthropology

We all know that the world has become a global village. As a result every corner of the world is known to us and our expectation of life are growing day by day.Sometimes our expectation becomes so high that our way of life derails from the original track.Thus spiritual thinking decreases day by day.Life becomes full of stress and measurable. In such a situation meditation can bring the way of life to the right direction.

Meditation gives an atmosphere to live a simple, happy and relaxed life.Meditation is a prayer where no language is required,no words are essential.Generally through prayer we ask God to fulfil our desires and satisfy all our worldly ambitions.But real prayer should not include such desires.Besides our outer world there is another world which we cannot reach easily.To get into this world we have to go through the path of God.

The purpose of meditation is to get rid of all the worldly thoughts which are bothering us day and night.Meditation is a way to get in touch with God.Meditation withdraws our consciousness to the eye center and holds our attention there.Concentration is to keep the mind steady at the eye center which comes with deep positive thinking.

The position of the soul and mind is always at the eye center. Concentration is only way to control our mind. Mind always dominates the soul and mind itself is dominated by the senses.Mind runs to the senses which can give birth to the uncontrolled material desires.Men become self-centered, narrow minded,blight,which are dangerous to the people as well as to the society.So control of desire is possible through purification of mind.Meditation is the way for purification the mind.When mind becomes purer and purer soul gets released more and more from the mind. Then Self-realization comes and only after self realization God-realization is possible.Meditation strengthen our will power and make us capable to control the mind.

It must be admitted that there is a supreme power above us which we call God, Master, Nature etc.who is guiding us in His own way. Human being is born with the effect of his/her previous 'Karma' (Work) according to Indian Philosophy. Human being is a composite of body, mind and spirit.All these three aspects are inter related.Physical development depends upon mental development and mental development fully depends upon spiritual development.For spiritual development positive thinking is necessary.We need to give priority to our inherent 'spiritual nature'.

People cannot change the course of events dictated by destiny.Only the meditation can relax

to some ewxtent.It is a constant training of mind.It helps to train our mind to take things easily, lightly,to laugh them away, to ignore them.Meditation is to concentrate our mind in good thoughts. It should become a habit, a part of our daily routine.Then we do not feel frustrated. Time of meditation depends upon the individual.When we enjoy the bliss within us that is the effect of meditation.People may get it within five minutes, or within one hour or may not get even two or more hours.It is not an easy task. So complete surrender of mind to the 'Power' is needed. Swami Vivekananda said- "The basis of our life is spirituality.Spirituality is the true basis of all our activities in life.The spiritual wealth make the people to develop a unique mentality"

Let us try meditation and proceed to enjoy eternal bliss!

Reference : 'Die to live' -Nabaraj charan Sing,
Radha Soami Satsang Beas
Lakshmi offset printers,
Delhi-110092

Speaking Trees : Times of India.